**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ভাৰত আৰু ইউনাইটেড আৰৱ আমিৰি ৰাষ্ট্ৰই ২০৩২ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰি ২০ হাজাৰ কোটিলৈ বৃদ্ধিৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিছে।

২। বিজেপিৰ কাৰ্যকৰী সভাপতি নীতিন নবীন দলৰ নতুন সভাপতি হ'বলৈ আগবাঢ়িছে।

৩। কৰ্ণাটকৰ স্থানীয় নিকায়ৰ নিৰ্বাচনত বেলট পেপাৰ ব্যৱহাৰ কৰাৰ সিদ্ধান্ত এটা পশ্চাদগামী পদক্ষেপ বুলি জ্যেষ্ঠ বিজেপি নেতা প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে।

৪। লাডাখৰ লেহত আজি খেলো ইণ্ডিয়া উইণ্টাৰ গেমছ ২০২৬ৰ প্ৰথম পৰ্যায় আৰম্ভ হ'ব। *আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট জায়েণ্টছক ৬১ ৰানত পৰাস্ত কৰে।

০০০০০

ভাৰত আৰু ইউনাইটেড আৰৱ আমিৰি ৰাষ্ট্ৰই ২০৩২ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰি ২০ হাজাৰ কোটিলৈ বৃদ্ধিৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইউনাইটেড আৰৱ আমিৰিৰ শ্বেখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ মাজত অনুষ্ঠিত প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত এই সিদ্ধান্ত লোৱা হয়। বৈঠকত দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা, মহাকাশ, শক্তি আৰু খাদ্য সুৰক্ষা খণ্ডত কেইবাখনো চুক্তিত স্বাক্ষৰ কৰা হয়। বৈঠক সন্দৰ্ভত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে সাংবাদিকৰ আগত কয়, যে দুয়োখন দেশৰ মাজত কৌশলগত প্ৰতিৰক্ষা সহযোগিতা বিষয়ত এখন পৰিকাঠামো চুক্তিৰ সমাপ্তিৰ বাবে উদ্দেশ্য পত্ৰত স্বাক্ষৰ কৰা হয়। তদুপৰি মহাকাশ আন্তঃগাঁথনিৰ বিকাশ আৰু ইয়াৰ বাণিজ্যিকীকৰণৰ বাবে যুটীয়া পদক্ষেপ সন্দৰ্ভত আন এখন উদ্দেশ্য পত্ৰতো স্বাক্ষৰ কৰা হয় বুলি শ্ৰীমিশ্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে দুয়োখন দেশে এইচ পি চি এল ইণ্ডিয়া আৰু এডন'ক গেছ ইউ এ ইৰ মাজত ক্ৰয়-বিক্ৰয়ৰ চুক্তিত স্বাক্ষৰ কৰে। গুজৰাটৰ ধুলেৰাত বিশেষ বিনিয়োগ খণ্ডৰ বিকাশত ইউনাইটেড আৰৱ আমিৰিৰ অংশীদাৰিত্ব বিষয়টো আন এখন উদ্দেশ্য পত্ৰত স্বাক্ষৰৰ কথা উল্লেখ কৰি শ্ৰীমিশ্ৰীয়ে কয়, যে এই বৃহৎ অংশীদাৰিত্বই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ, পাইলট প্ৰশিক্ষণ বিদ্যালয়, স্মাৰ্ট নগৰীয়া টাউনশ্বিপ, ৰে'লৰে যোগাযোগৰ সৈতে সম্পৰ্কিত প্ৰকল্প আৰু শক্তি আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব। দুয়োখন ৰাষ্ট্ৰই দ্বিপাক্ষিক অসামৰিক পৰমাণু সহযোগিতাৰ প্ৰসাৰৰ বাবেও বৈঠকত সিদ্ধান্ত লয়।

০০০০০

বিজেপিৰ কাৰ্যকৰী সভাপতি নীতিন নবীন দলৰ নতুন সভাপতি হ'বলৈ আগবাঢ়িছে। দলটোৰ ৰাষ্ট্ৰীয় ৰিটাৰ্নিং বিষয়া ড০ কে লক্ষ্মণে জনোৱা মতে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি পদৰ বাবে কেৱল নীতিন নবীনৰ নাম প্ৰস্তাৱ কৰা হয়। আজি আনুষ্ঠানিকভাৱে নতুন ৰাষ্ট্ৰীয় সভাপতি হিচাপে তেওঁক নিৰ্বাচনৰ কথা ঘোষণা কৰা হ'ব বুলি ড০ লক্ষ্মণে প্ৰকাশ কৰে। তেওঁ কয়, যে নীতিন নবীনৰ সপক্ষে ৩৭ খন মনোনয়ন পত্ৰ লাভ কৰা হৈছিল আৰু মনোনয়ন পত্ৰসমূহ পৰীক্ষাৰ সময়ত সকলোবোৰ সঠিকভাৱে পূৰণ কৰাৰ লগতে বৈধ হিচাপে বিবেচিত হয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, নীতিন গাডকাৰীকে ধৰি বিজেপিৰ সংসদীয় দল পৰিষদৰ অন্যান্য সদস্যসকলে এই পদৰ বাবে নীতিন নবীনৰ নাম প্ৰস্তাৱ কৰিছিল। উল্লেখযোগ্য যে দলটোৰ ৰাষ্ট্ৰীয় পৰিষদ আৰু ৰাজ্যিক পৰিষদৰ প্ৰতিনিধিসকলেৰে গঠিত এটা নিৰ্বাচনী গোটে নতুন ৰাষ্ট্ৰীয় সভাপতিগৰাকীক নিৰ্বাচন কৰে। সম্প্ৰতি সভাপতি হিচাপে থকা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা ২০১৯ চনৰ জুনত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিৰ্বাচিত হৈছিল আৰু পাছত ২০২০ চনৰ জানুৱাৰীত সৰ্বসন্মতিক্ৰমে দলৰ সভাপতি হিচাপে নিৰ্বাচিত হয়।

০০০০০

কৰ্ণাটকৰ স্থানীয় নিকায়ৰ নিৰ্বাচনত বেলট পেপাৰ ব্যৱহাৰ কৰাৰ সিদ্ধান্ত এটা পশ্চাদগামী পদক্ষেপ বুলি কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীযোশীয়ে কয়, যে কৰ্ণাটক চৰকাৰে দশকজোৰা প্ৰগতিক অৱমূল্যায়ন কৰি এটা মিছা বক্তব্যক প্ৰমাণিত কৰাৰ চেষ্টা কৰিছে। তেওঁ কয়, যে ই ভি এম অহাৰ পাছত বুথ জালিয়াতি অথবা বুথ লুণ্ঠনৰ দৰে বিষয়সমূহ পুৰণা হৈ পৰিল। আনকি জ্ঞান, দৃষ্টিকোণ আৰু ব্যৱহাৰ সন্দৰ্ভত কৰ্ণাটক চৰকাৰৰ শেহতীয়া সমীক্ষাত জনসাধাৰণে ই ভি এমত অধিক বিশ্বাস কৰে বুলি স্পষ্ট হৈ পৰিছিল। দেশত ই ভি এম ব্যৱস্থা প্ৰৱৰ্তনৰ ক্ষেত্ৰত কৰ্ণাটক এখন অগ্ৰণী ৰাজ্য আছিল বুলি উল্লেখ কৰি শ্ৰীযোশীয়ে কয়, যে সময়ৰ লগে লগে ভি ভি পেটৰ সৈতে ই ভি এম ব্যৱস্থা দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ মেৰুদণ্ডস্বৰূপ হৈ পৰে। তেওঁ কংগ্ৰেছশাসিত ৰাজ্য চৰকাৰে দিল্লীত তেওঁলোকৰ নেতৃত্বৰ প্ৰমাণ তথা নিৰ্বাচন সন্দৰ্ভত অযুক্তিকৰ দাবীক সমৰ্থন কৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি দাবী কৰে।

০০০০০

ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে চি আই এছ এফে বন্দে মাতৰম উপকূলীয় চাইক্লথন ২০২৬ৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। অহা ২৮ জানুৱাৰীত নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ নেচনেল ষ্টেডিয়ামৰ পৰা কেন্দ্ৰীয় গৃহ পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে ভাৰ্চুৱেল ব্যৱস্থাৰে এই চাইক্লথনৰ শুভাৰম্ভ কৰিব। চাইক্লথনত চি আই এছ এফৰ ৬৫ গৰাকী মহিলাকে ধৰি মুঠ ১৩০ জন জোৱানে অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰজোৰা এই চাইক্লথনত ৯ খন উপকূলীয় ৰাজ্যৰ ৬ হাজাৰ ৫০০ কিলোমিটাৰ সামৰি লোৱা হ'ব। ২২ ফেব্ৰুৱাৰীত অন্ত পৰিবলগীয়া এই চাইক্লথনত অংশগ্ৰহণৰ বাবে চি আই এছ এফে জনসাধাৰণ তথা যুৱক-যুৱতীসকলক আহ্বান জনাইছে।

০০০০০

পশ্চিমবংগৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে ৰাজ্যখনত নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰি দিয়া সময়ৰ ভিতৰতে অৰ্থাৎ ১৪ ফেব্ৰুৱাৰীৰ ভিতৰত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ সম্পূৰ্ণ হ'ব বুলি আস্থা প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগলৈ প্ৰেৰণ কৰা সাপ্তাহিক প্ৰতিবেদনত ভোটাৰ তালিকাৰ বিশেষ

পুংখানুপুংখ পুনৰীক্ষণৰ সৈতে সম্পৰ্কিত সকলোবোৰ ঘটনা দাখিল কৰা হয়। এই প্ৰতিবেদন পৰ্যালোচনাৰ পাছত নিৰ্বাচন আয়োগে ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া মনোজ কুমাৰ আগৰৱালাক তাৎক্ষণিকভাৱে দিল্লীলৈ মাতি পঠিয়ায় আৰু তেওঁৰ সৈতে আলোচনাত মিলিত হয়। আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে পশ্চিমবংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ ব্যৱস্থা নিয়াৰিকৈ ৰূপায়ণ কৰাটো নিশ্চিত কৰা আৰু স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ সন্দৰ্ভত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীৰ সৈতে আলোচনা কৰা হয়। তদুপৰি সুৰক্ষা ব্যৱস্থা, বুথ আন্তঃগাঁথনি আৰু সমাগত বিধানসভা নিৰ্বাচনৰ ব্যৱস্থাপনা সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০

মহাৰাষ্ট্ৰ চৰকাৰে কালি বিশ্ব অৰ্থনৈতিক মঞ্চ সন্মিলনৰ প্ৰথম দিনটোত ১৪.৫ লাখ কোটি টকাৰ বিনিয়োগ লাভেৰে অভিলেখ সৃষ্টি কৰিছে। সন্মিলনত স্বাক্ষৰিত ১৯খন বুজাবুজি চুক্তিৰ জৰিয়তে ৰাজ্যখনত বিভিন্ন খণ্ডত ১৫ লাখৰো অধিক নিবনুৱাই সংস্থাপন লাভ কৰিব বুলি আশা কৰা হৈছে। মহাৰাষ্ট্ৰ চৰকাৰে বিবৃতিযোগে কৈছে যে, এই চুক্তিসমূহে ৰাজ্যখনৰ 'বিকশিত মহাৰাষ্ট্ৰ ২০৪৭'ৰ দৃষ্টিভংগী আৰু পাঁচ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতি হোৱাৰ অভিলাষী লক্ষ্যক বাস্তবায়িত কৰাত উল্লেখনীয় অৱদান আগবঢ়াব।

০০০০০

আফগানিস্তানৰ কাবুলৰ ডাউনটাউনত কালি সংঘটিত এটা বোমা বিস্ফোৰণত কমেও ৭ জন লোক নিহত হৈছে আৰু আন প্ৰায় ১২গৰাকী লোক আহত হৈছে। কাবুল আৰক্ষীৰ মুখপাত্ৰ খালিদ জাড্ৰানে এই সন্দৰ্ভত কয় যে, এখন হোটেল আৰু হোটেলখনৰ গাতে লাগি থকা বৃহৎ কাৰ্যালয় ভৱন, বাণিজ্যিক ভৱন আৰু দূতাবাসক লক্ষ্য কৰি এই বিস্ফোৰণ সংঘটিত কৰা হৈছে। ইটালীৰ "ইমাৰজেণ্চী" নামৰ এটা বেচৰকাৰী সংস্থাই জনোৱা মতে, কাবুলত থকা তেওঁলোকৰ অস্ত্ৰোপচাৰ কেন্দ্ৰটোলৈ বিস্ফোৰণস্থলীত আঘাতপ্ৰাপ্ত ২০ জন লোকক লৈ অনা হৈছিল যদিও সাতজনৰ ইতিমধ্যে মৃত্যু হৈছিল। উল্লেখযোগ্য যে কোনো সংগঠনে এই মূহুৰ্তলৈকে বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰা নাই।

০০০০০

নতুন দিল্লীৰ কৰ্তব্যপথত হ'বলগীয়া ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেড প্ৰত্যক্ষ কৰাৰ বাবে প্ৰায় ১০ হাজাৰ বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে সদৰি কৰিছে। অতিথিসকলৰ ভিতৰত আয় আৰু কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত দৃষ্টান্তমূলক কাম কৰা ব্যক্তি, শ্ৰেষ্ঠ উদ্ভাৱক, ষ্টাৰ্টআপ, আত্মসহায়ক গোট আৰু বিভিন্ন চৰকাৰী পদক্ষেপৰ অধীনত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা ব্যক্তিসকল আছে। ৰাষ্ট্ৰ নিৰ্মাণ আৰু সাধাৰণ জনতাৰ বাবে বিভিন্ন উন্নয়নমূলক কাম কৰা ব্যক্তিসকলৰ অৱদানক সন্মান জনোৱাৰ উদ্দেশ্যে তেওঁলোকক বিশেষ অতিথি হিচাপে এই অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। বিশেষ অতিথিসকলৰ ভিতৰত বিশ্ব এথলেটিকছ পেৰা চেম্পিয়নশ্বিপৰ বিজয়ী, প্ৰধানমন্ত্ৰী স্মাইল আঁচনিৰ অধীনত পুনৰ সংস্থাপন লাভ কৰা তৃতীয় লিংগ আৰু মগনীয়া, প্ৰাকৃতিকভাৱে কৃষি কাৰ্য সম্পাদন কৰা খেতিয়কসকল আছে।

০০০০০

বদোদৰাৰ বি চি এ ষ্টেডিয়ামত অনুষ্ঠিত মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট জায়েণ্টছক ৬১ ৰানত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ১৭৮ ৰান সংগ্ৰহ কৰে। দলৰ হৈ গৌতমী নায়কে সৰ্বাধিক ৭৩ ৰান কৰে। প্ৰত্যুত্তৰত গুজৰাট

জায়েণ্টছে নিৰ্ধাৰিত অভাৰত ৮টা উইকেট হেৰুৱাই ১১৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ এছলে গাৰ্ডনাৰে সৰ্বাধিক ৫৪ ৰান কৰে। গৌতমী নায়কক প্লেয়াৰ অব দা মেচ ঘোষণা কৰা হয়।

আজি দেলহী কেপিটেলছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। খেলখন বি চি এ ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

লাডাখৰ লেহত আজি খেলো ইণ্ডিয়া উইণ্টাৰ গেমছ ২০২৬ৰ প্ৰথম পৰ্যায় আৰম্ভ হ'ব। এই পৰ্যায়ত প্ৰশিক্ষক আৰু কাৰিকৰী বিষয়াসকলকে ধৰি এহেজাৰৰো অধিক পুৰুষ আৰু মহিলা এথলিটে অংশগ্ৰহণ কৰিব। এই বছৰৰ খেলো ইণ্ডিয়া উইণ্টাৰ গেমছৰ মূল আকৰ্ষণ হৈছে অলিম্পিকৰ এবিধ খেল ফিগাৰ স্কেটিং অন্তৰ্ভুক্ত কৰা। এইবাৰ স্কেটিং আৰু হকীত ৪৭২ গৰাকী এথলিটে অংশগ্ৰহণ কৰিব। এই প্ৰতিযোগিতা সন্দৰ্ভত কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে খেলো ইণ্ডিয়া উইণ্টাৰ গেমছে শীতকালীন ক্ৰীড়াসমূহত প্ৰতিদ্বন্দ্বিতা আৰু উল্লেখনীয় প্ৰদৰ্শনৰ সুযোগ দিব। তেওঁ এথলিটসকলক এই মঞ্চৰ সদ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

০০০০০

সমাপ্ত